# জাৰ্মানীৰ সংযুক্ত গণতন্ত্ৰৰ মুৰব্বীৰ ৰাষ্ট্ৰপতিৰে সাক্ষাৎ

ফেব্ৰুৱাৰী 25, 2023

জাৰ্মানীৰ সংযুক্ত গণতন্ত্ৰৰ মুৰব্বী, মাননীয় শ্ৰীযুত অ'লাফ স্ক'লজে আজি ৰাষ্ট্ৰপতি ভৱনত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুক সাক্ষাৎ কৰে৷

জাৰ্মানীৰ মুৰব্বী হিচাপে স্ক'লজক তেওঁৰ প্ৰথম ভাৰত ভ্ৰমণত আদৰণি জনাই, ৰাষ্ট্ৰপতি গৰাকীয়ে কয় যে ভাৰত আৰু জাৰ্মানীৰ এক দীৰ্ঘদিনীয়া সম্পৰ্ক আছে, যি আমাৰ উমৈহতীয়া মূল্যবোধ আৰু ভগাই লোৱা লক্ষ্যসমূহৰ দ্বাৰা ধৰি ৰখা হৈছে৷ আমাৰ দ্বিপাক্ষিক সম্পৰ্কই দশক ধৰি প্ৰতিপালিত পাৰস্পৰিক বিশ্বাসক প্ৰতিফলিত কৰি, এক বৃহৎ পৰিসৰৰ অঞ্চল সামৰি লৈছে৷

ৰাষ্ট্ৰপতি গৰাকীয়ে কয় যে জাৰ্মানী হৈছে ইউৰোপত ভাৰতৰ বৃহত্তম বানিজ্যিক সহযোগী আৰু ভাৰতত শীৰ্ষ বিনিয়োগকাৰীবোৰৰ মাজৰ এটা৷ তেওঁ কয় যে তাৰোপৰি জাৰ্মানী ভাৰতৰ দ্বিতীয় বৃহত্তম বিকাশমূলক সহযোগিতাৰ অংশীদাৰ আৰু ভাৰতৰ উন্নয়নৰ যাত্ৰাত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে৷ শেহতীয়া বৰ্ষসমূহত, জাৰ্মানীয় বিশেষকৈ বিজ্ঞান আৰু প্ৰযুক্তিত উচ্চ শিক্ষা লাভ কৰিব বিচৰা ভাৰতীয় শিক্ষাৰ্থী আৰু গৱেষকসকলৰ বাবে এক সুবিধাপ্ৰাপ্ত লক্ষ্যস্থান হিচাপে পৰিগণিত হৈছে৷ তেওঁ কয় যে ভাৰতত কৰ্মৰত জাৰ্মানীৰ ভাৰততত্ব অধ্যয়ন কৰা লোকসকলৰ এক দীঘলীয়া পৰম্পৰাৰ সৈতে, ভাৰত আৰু জাৰ্মানীয়ে শক্তিশালী সাংস্কৃতিক যোগাযোগ স্থাপন কৰিছে৷

ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে ভাৰত আৰু জাৰ্মানীৰ গণতান্ত্ৰিক মূল্য, নিয়ম ভিত্তিক আন্তৰ্জাতিক শৃংখলা, বহুপাক্ষিকতাবাদ, আৰু লগতে বহুপাক্ষিক প্ৰতিষ্ঠানৰ পুনৰ্গঠন অব্যাহত ৰখাৰ ভগাই লোৱা লক্ষ্য আছে৷ দুটা স্পন্দনশীল, বহুত্ববাদী গণতন্ত্ৰ হিচাপে, ভাৰত আৰু জাৰ্মানীয়ে নতুন আৰু উত্থিত গোলকীয় প্ৰত্যাহ্বান সম্বোধন কৰাত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব৷

**নতুন দিল্লী**

**ফেব্ৰুৱাৰী 25, 2023**